# বিহু আদৰণি

ব'হাগ বিহুৰ সময়ত প্ৰকৃতি আৰু মানুহ যেন একাত্ম হৈ পৰে; সকলোৰে মন প্ৰাণ ৰঙীন হয়। প্ৰকৃতিৰ ৰূপে মানুহৰ মনত জগাই তোলে বিচিত্ৰ অনুভূতি। এই কবিতাটিত ব'হাগৰ মনোমোহা চিত্ৰৰ লগতে লৌকিক আচাৰ আৰু প্ৰকৃতি-প্ৰীতিৰ এক সম্প্ৰীতিৰ বান্ধোন প্ৰতিভাত হৈ উঠিছে।



শুনা ঐ চ'তাই
পেঁপাটি বজাই
ৰঙালীক আঁহা লৈ
পদূলি মুখত
বাট চাই চাই
থাকিম কিমান বৈ।।

আনিলোঁ জেতুকা
আনিলোঁ থেৰেজু
আনিলোঁ বৰ্হমঠুৰি।
মাখিয়তী পাতে
তৰাৰ পঘাৰে
আওলা পেলালোঁ জুৰি।।

আনিলোঁ হালধি
থেকেৰা বেঙেনা
সাজিলোঁ বাঁহত চাত।
ঢোল টকা পেঁপা
সুগৰ কৰিলোঁ
সাৰিলোঁ চোতাল বাট।।





আয়ে কাটিলে
শালৰ গামোচা
আঁচুৰ ভমকা ফুল।
বায়ে আনি থ'লে
খোপালৈ বুলি
ৰচঙ্গা কপৌৰ ফুল।।

বহল পাতেৰে
নাহৰৰ ডালি
পিতাই আনিলে গৈ।
খুড়ীয়ে পাতিলে
মজিয়াত খোলা
তিল গুড় দিহা কৈ।





আইতাই মচি
থাপনাৰ আগ
থৈছে সেন্দূৰী কৈ।
নৰ'বা চ'তাই
কাবৌ কৰিছোঁ
আহা ৰঙালীক লৈ।।

কবি — মিত্ৰদেৱ মহ

(উৎস ঃ 'মৰুৱা ফুল', পৃষ্ঠা ১৩২, সম্পাদনা- নৰকান্ত বৰুৱা, অসম প্ৰকাশন পৰিষদ, পঞ্চম প্ৰকাশ, ২০০৮)

★ কবিতাটিৰ উৎসত 'বৰ্হমঠুৰি' আছে যদিও অভিধানত 'বৰ্হমথুৰি' আৰু 'বৰমথুৰি' হে আছে। মূলত ব
বানানত হাত দিয়া হোৱা নাই।

## কবি পৰিচয়

**মিত্ৰদেৱ মহন্ত (১৮৯৪-১৯৮৩ চন)**— মিত্ৰদেৱ মহন্তৰ যোৰহাটত জন্ম হৈছিল। পিতৃ নিৰঞ্জনদেৱ আৰু মাতৃ বগীতৰা দেৱী। তেখেতে যোৰহাটত প্ৰাথমিক আৰু হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰে। আজীৱন অভিনয় কৰি ভাল পোৱা, শিক্ষাবিদ মহন্ত সাহিত্য সাধনাতো ব্ৰতী আছিল। অসমীয়া সাহিত্যৰ প্ৰায়বোৰ ক্ষেত্ৰতে তেখেতে নিজৰ সৃষ্টি-প্ৰতিভাৰ পৰিচয় দিছিল। শিশু-সাহিত্যলৈ তেখেতৰ অৱদান সৰ্বজনবিদিত। 'মৌ-মহাভাৰত' তেখেতৰ শিশু-সাহিত্যসমূহৰ অন্যতম। মিত্ৰদেৱ মহন্ত এগৰাকী প্ৰসিদ্ধ গীতিকাৰ আছিল। তেখেতৰ দ্বাৰা ৰচিত 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতটি অসম সাহিত্য সভাৰ আৰম্ভণী গীত। এইগৰাকী অসম সন্তান একাধাৰে অভিনেতা, গীতিকাৰ, নাট্যকাৰ, শিশু-সাহিত্যিক, সত্ৰীয়া সংস্কৃতিৰ সাধক আৰু শিক্ষাবিদ আছিল।

### ক্ৰিয়া-কলাপ

### ক — পাঠভিত্তিক ক্ৰিয়া

**১) কবিতাটি শুদ্ধ উচ্চাৰণেৰে স্পষ্টকৈ পঢ়া।**

**২) লয় আৰু ছন্দৰ সংগতি ৰাখি কবিতাটি আবৃত্তি কৰা।**

**৩) চৰাইৰ বাহত থকা শব্দসমূহৰ অৰ্থ শব্দ সম্ভাৰ বা অভিধান চাই শিকি লোৱা।**




**৪) উত্তৰ দিয়া।**

(ক) চ'তাই বুলি কবিয়ে কাক কৈছে?

(খ) কবিতাটিত জেতুকা, থেৰেজুৰ লগতে আৰু কি অনাৰ কথা কোৱা হৈছে?

(গ) মাখিয়তী আৰু তৰাৰ পঘাৰে কি জুৰি পেলোৱাৰ কথা কৈছে?

(ঘ) বাঁহত চাত কিহেৰে সজালে?

(ঙ) বায়ে খোপালৈ বুলি কি ফুল আনিলে?

(চ) কবিয়ে চ'তাইক কি বুলি কাবৌ কৰিছে?